Series ΨYZXW/C

Set-4

Q.P. Code **15**

Roll No.

Candidates must write the Q.P. Code on the title page of the answer-book.

# অসমীয়া

# ASSAMESE

*সময়: 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* | *Maximum Marks : 80*

- Please check that this question paper contains **15** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **20** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

**General Instructions :**

*Question paper is divided into **four** sections. It has total **20** questions.*

*Section A : 1 Question no. 1*

*Section B : 5 Questions no. 2 to 6*

*Section C : 8 Questions no. 7 to 14*

*Section D : 6 Questions no. 15 to 20*

*Attempt questions as per specific instructions.*

## SECTION A (15 marks)

## Comprehension (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা :

সময় অমূল্য ধন অৰ্থাৎ ধনৰ দ্বাৰা সময় জুখিব নোৱাৰি । টকা খৰচ হ'লে পুনৰ অৰ্জন কৰিব পাৰি । আনকি স্বাস্থ্য হানি হ'লেও, পুনৰ ঘূৰাই পোৱাৰ আশা থাকে । কিন্তু পাৰ হৈ যোৱা সময় আৰু কোনো দিনে ঘূৰাই আনিব নোৱাৰি । সেইবাবে সময় অমূল্য ধন । সময়ৰ মূল্য কামৰ জৰিয়তেহে কৰিব পাৰি, অৰ্থাৎ সময়মতে কাম কৰিব জনা লোকেহে অথবা সময়ৰ সদ্ব্যৱহাৰ কৰিব জনা লোকেহে সময়ৰ মূল্য বুজিব পাৰে ।

সময় নদীৰ সোঁতৰ দৰে । ই কালৈকো অপেক্ষা নকৰে । ই অনবৰতে গতিহে কৰি থাকে । নদীৰ সোঁত দেখি; কিন্তু সময়ৰ সোঁত নেদেখি, কাৰ্যক্ষেত্ৰতহে তাক গম পোৱা যায় । সময় মতে নিৰ্দিষ্ট কাম কৰাই সময়ৰ সদ্ব্যবহাৰ বা সময়ানুৱৰ্তিতা ।

সময় অমূল্য সম্পদ । টকা-কড়ি ব্যয় কৰি বৰ মূল্যৱান বস্তুও কিনিব পাৰি, কাবৌ-কোকালি কৰি বৰ কঠোৰ মানুহৰ অন্তৰো গলাব পাৰি, কিন্তু ধন দি বা আন কোনো উপায়ে অতিবাহিত হৈ যোৱা সময় ঘূৰাই আনিব নোৱাৰি । ধনী বা মানী লোকলৈয়ো সময়ে অপেক্ষা নকৰে । ই অনবৰত গতিহে কৰি থাকে । সকলো কামৰে একোটা নিৰ্দিষ্ট সময় থাকে । সময় মতে কাম কৰিলেহে কামৰ সুফল পোৱা যায় । দৈনন্দিন সাধাৰণ কামৰ পৰা আৰম্ভ কৰি মহৎ কাম বিলাকলৈ সকলোতে এই কথা খাটে ।

সময় মতে কাম কৰাৰ পৰা সময়, পৰিশ্ৰম, ধন আদিও ৰক্ষা হয় । বানপানী অহাৰ আগতে নদীত মথাউৰি বান্ধিব লাগিব । বানপানী প্ৰতিৰোধ কৰাৰ সেইটোৱেই উপযুক্ত সময় । সেই সময়ত মথাউৰিটো বান্ধোতে কম কষ্ট আৰু কম ধনৰ আৱশ্যক হয়, সময় লাগে কম । বানপানীয়ে পাৰ ডুবোৱাৰ পিছত মথাউৰি বান্ধিবৰ চেষ্টা কৰিলে ধন, পৰিশ্ৰম, সময় আদি বহুত লাগে আৰু কামো ভাল নহয় ।

একোজন মহৎ, লোকে সময়ৰ সদ্ব্যৱহাৰ কৰি জাতিৰ কল্যাণ সাধন কৰাৰ উদাহৰণ বুৰঞ্জীত অলেখ পোৱা যায় । বীৰ লাচিত বৰফুকনৰ কথাকে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি । শৰাইঘাটৰ ৰণৰ সময়ৰ কথা । সেই সময়ত অসমীয়া সেনাই গড় মাৰি তাৰ আঁৰত থাকিহে যুদ্ধ কৰিছিল । বহুত চেষ্টা কৰিও অসমীয়াক বলে নোৱাৰি মোগল সেনাপতি ৰামসিংহই ছল চাই আছিল । তেওঁ এদিন চোৰাংচোৱাৰ পৰা জানিব পাৰিলে যে, এফালেদি গড় নাই । সেই সুবিধাৰ কথা জানিব পাৰি তেওঁ ভাবিলে যে পিছদিনাখন সেই ফালেদি আক্ৰমণ কৰিলে সহজে জয়লাভ কৰিব পৰা যাব । তাৰবাবে আয়োজন কৰি তেওঁ ৰাতিপুৱাবলৈ অপেক্ষা কৰিলে । সেই কথা জানিব পাৰি চতুৰ বৰফুকনে সেই ঠাইত ৰাতিৰ ভিতৰত গড় মাৰিবলৈ সৈন্যসকলক আদেশ দিলে আৰু সেই কাম চোৱা-চিতা কৰাৰ ভাৰ দিলে নিজৰ মোমায়েকৰ ওপৰত । এই কামত ত্ৰুটি কৰাৰ বাবেই তেওঁ ‘‘দেশতকৈ মোমাই ডাঙৰ নহয়’’ বুলি মোমায়েকৰ মূৰ কাটি মাটিত পেলালে । তাৰ ফলত ৰাতিৰ ভিতৰত গড় সম্পূৰ্ণ হ’ল । সেই গড়ৰ সহায়তে যুদ্ধ কৰি তেওঁ পিছদিনাখন জয়লাভ কৰি সময়ৰ স্বাধীনতা অক্ষুন্ন ৰাখিবলৈ সক্ষম হ’ল ।

সময়ৰ সদ্ব্যৱহাৰ কৰাৰ পৰা যেনেকৈ উপকাৰ হয়, সদ্ব্যৱহাৰ নকৰাৰ পৰা তেনেকৈ অপকাৰো হয় । সহায় কৰিবলৈ যোৱা সৈন্য গৈ পোৱাত ৫ মিনিট সময় হোৱা বাবে বিশ্ববিখ্যাত বীৰ নেপোলিয়ন ওৱাটাৰ্লুৰ যুদ্ধত পৰাজিত হৈছিল । তাৰ ফলতে তেওঁ সুদীৰ্ঘ কাল বন্দী হৈ থাকি মৃত্যুবৰণ কৰিছিল । তেওঁক সহায় কৰিবলৈ অহা সৈন্যসকলে ঠিক সময়ত তেওঁক সহায় কৰা হ'লে তেওঁ ইউৰোপৰ ঘটনাৰ সোঁত আনফালে বোৱালেহেঁতেন ।

কাম দীৰ্ঘম্যাদীয়েই হওঁক বা হ্রস্বম্যাদীয়েই হওঁক, ডাঙৰেই হওঁক বা সৰুৱেই হওঁক সকলোতে আমি সময়ৰ সদ্ব্যৱহাৰ কৰা উচিত । প্ৰথমতে আমি দৈনন্দিন কামত সদ্ব্যৱহাৰ কৰি অভ্যাস গঢ়ি ল'ব লাগে । দিনটোৰ কোন সময়ত কি কাম কৰা হ'ব তাক ঠিক কৰি আগতে লিখি উলিয়াব লাগে আৰু সেই কাৰ্যসূচী চাই কাম সম্পাদনা কৰিব লাগে । এইদৰে কিছুদিন চলিলে সময়ৰ সদ্ব্যৱহাৰ কৰাৰ অভ্যাস গঢ়ি উঠে । এই অভ্যাস গঢ়ি তুলি সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰি ।

প্ৰশ্ন :

(i) সময়ক কিয় অমূল্য ধন বুলি কৈছে ? *2*

(ii) লাচিত বৰফুকনে কিয় ৰাতিৰ ভিতৰতে গড় মাৰিবলৈ আদেশ দিলে ? *2*

(iii) সময়ৰ সদ্ব্যৱহাৰ নকৰিলে কি অপকাৰ হয় উদাহৰণসহ লিখা । *2*

(iv) সন্ধি – (শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা) – সদ্ব্যৱহাৰ *1*

(a) সদ+ব্যৱহাৰ

(b) সৎ+ব্যৱহাৰ

(c) সদ্+ব্যৱহাৰ

(d) সদ+ব্যৱহাৰ

(v) উপসৰ্গ – (শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা) – প্ৰতিৰোধ *1*

(a) প্ৰ

(b) পৰা

(c) প্ৰতি

(d) প্ৰত

(vi) প্ৰত্যয় (শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা) – মথাউৰি *1*

(a) মথা+উৰি

(b) মথ+উৰি

(c) মথ+আউৰি

(d) মাথা+উৰি

(vii) সময়ক কিহৰ লগত তুলনা কৰা হয় ? *1*

(a) পৰিশ্ৰমৰ লগত

(b) নৈৰ সোঁতৰ লগত

(c) অভ্যাসৰ লগত

(d) কামৰ লগত

(viii) একোজন মহৎলোকে সময়ৰ সদ্ব্যৱহাৰ কৰি _______ কল্যাণ সাধন কৰে । *1*

(a) মানুহৰ

(b) জীৱন

(c) সমাজৰ

(d) জাতিৰ

(ix) সময়ৰ সদ্ব্যৱহাৰ কৰিব জনা লোকে কি বুজিব পাৰে ? *1*

(a) সময়ৰমূল্য

(b) অভ্যাসৰ মূল্য

(c) ধনৰ মূল্য

(d) পৰিশ্ৰমৰ মূল্য

(x) নদীত মথাউৰি কেতিয়া বান্ধিব লাগিব ? *1*

(a) বানপানীৰ অহাৰ সময়ত

(b) বানপানীৰ অহাৰ পিছত

(c) বানপানীৰ অহাৰ আগতে

(d) বানপানীৰ সময়ত

(xi) শব্দ-অৰ্থ লিখা – ‘‘অতিবাহিত’’ – *1*

(a) নষ্ট হোৱা

(b) পাৰ কৰা

(c) ভাল হোৱা

(d) বৈ যোৱা

(xii) কঠোৰ মানুহৰ অন্তৰ কেনেদৰে গলাব পাৰি ? *1*

(a) পৰিশ্ৰম কৰি

(b) ধনেৰে

(c) বলেৰে

(d) কাবৌ-কোকালি কৰি

## SECTION B (25 marks)

## (লিখন কলা)

**2.** (i) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা দিবা ।) *5*

এদিন এগৰাকী বুঢ়ীয়ে নাতিয়েকৰ সৈতে হজৰত মহম্মদৰ ওচৰলৈ আহিল _________ নাতিয়েকৰ মিঠাই খোৱা অভ্যাস _________ তাক এৰুৱাব লাগে _________ হজৰত মহম্মদে এমাহ পিছত আহিব দিলে _________ বুঢ়ী আহিল _________ হজৰত মহম্মদে নাতিয়েকক বুজালে _________ বুঢ়ীয়ে সেইখিনি কথা ক’বলৈ এমাহ সময় লোৱাৰ কাৰণ সুধিলে _________ হজৰতে ক’লে _________ তেওঁৰো মিঠাইৰ প্ৰতি লোভ আছিল _________ প্ৰথমতে নিজৰ অভ্যাস এৰুৱালে _________

**নাইবা**

(ii) তলত দিয়া যিকোনো ***এখন*** ৰচনা লিখা –

(a) অধ্যৱসায়

(b) জীৱন চৰিত পাঠ

**3.** যোৱাবেলি তোমাৰ বিদ্যালয়ে আয়োজন কৰা 'শিশু দিৱস'ৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয় খনৰ নাম সাংকেতিক আখৰত লিখিবা ।) *5*

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনা বুজাই লিখা – *1×5=5*

(i) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ ।

(ii) ঘন ঘনকৈ দিবা আলি, তেহে খাবা নানা শালি ।

**5.** তুমি শিক্ষামূলক ভ্ৰমণলৈ যোৱা ঠাইখনৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত ঠিকনাবোৰ সাংকেতিক আখৰত লিখিবা ।) *5*

**6.** তলত দিয়া খণ্ডবাক্য কেইটাৰ অৰ্থ লিখা – (যিকোনো ***৫টা***) *5*

গা গধুৰ, গা টঙা, ঘৰ গোনা, আঁঠু ল, গাই বাই চা, গা জোৰা

## SECTION C (20 marks)

## (ব্যাকৰণ)

**7.** উত্তৰ লিখা – *2×1=2*

(i) তলত দিয়া শব্দটোত কোনটো উপসৰ্গ লগ লাগিছে ?

অধীশ্বৰ

(a) অধী

(b) অধি

(c) অ

(d) অধ

(ii) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা –

(a) উপসৰ্গ কুৰিটা ।

(b) উপসৰ্গবোৰ ক্ৰিয়া পদ ।

(c) উপসৰ্গবোৰে নিজে অৰ্থ প্ৰকাশ কৰে ।

(d) উপসৰ্গবোৰ অব্যয়ৰ পিছত যোগ হয় ।

**8.** উত্তৰ লিখা – *2×1=2*

(i) যিবোৰ বৰ্ণসমষ্টি ক্ৰিয়া বা অন্য পদৰ পিছত বহি সিহঁতৰ অৰ্থ বিশেষভাৱে দেখুৱায়, সেইবোৰক ________ বোলে ।

(a) উপসৰ্গ

(b) অব্যয়

(c) অনুসৰ্গ

(d) বিশেষণ

(ii) ডাঙৰবোৰতকৈ সৰুবোৰেই ভাল । তলত আঁচটনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

(a) য়েই

(b) এই

(c) ই

(d) ইয়েই

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) তদ্ধিত

(a) তৎ+দ্ধিত

(b) তত+ধিত

(c) তৎ+হিত

(d) তঃ+হিত

(ii) শংকৰ

(a) শম্+কৰ

(b) শং+কৰ

(c) শ্ং+কৰ

(d) শম+কৰ

(iii) শুদ্ধ উত্তৰটো লিখা –

নমস্কাৰ =

(a) নম+স্কাৰ

(b) নমঃ+কাৰ

(c) নম্+কাৰ

(d) নম+কাৰ

(iv) শুদ্ধ উত্তৰটো লিখা –

ভাস্কৰ =

(a) ভা+স্কৰ

(b) ভাঃ+কৰ

(c) ভাস+কৰ

(d) ভাস্+কৰ

**10.** কোনটো কি বাক্য লিখা – (যিকোনো ***দুটা***) *2×1=2*

(i) মিছলীয়া মানুহক কোনেও বিশ্বাস নকৰে ।

(a) যৌগিক বাক্য

(b) মিশ্ৰ বাক্য

(c) সৰল বাক্য

(d) প্ৰশ্নবোধক বাক্য

(ii) যিজন লোক অকৃতজ্ঞ, তেওঁৰ ক'তো স্থান নাই ।

(a) সৰল বাক্য

(b) জটিল বাক্য

(c) যৌগিক বাক্য

(d) ভাৱবোধক বাক্য

(iii) মই স্কুললৈ যাম আৰু পঢ়া-শুনা কৰিম ।

(a) যৌগিক বাক্য

(b) সৰল বাক্য

(c) মিশ্ৰ বাক্য

(d) জটিল বাক্য

**11.** শুদ্ধ সমাৰ্থক শব্দটো বাছি উলিয়াই লিখা – (যিকোনো ***চাৰিটা***) *4×1=4*

(i) ঈশ্বৰ =

(a) ভগৱান

(b) হুতাশন

(c) দিৱস

(d) পৱন

(ii) ৰাতি =

(a) অম্বুদ

(b) নিশা

(c) কামনা

(d) ব্যোম

(iii) গজ =

(a) বিধি

(b) তটিনী

(c) হস্তী

(d) চক্ষু

(iv) জিভা =

(a) বহ্নি

(b) প্ৰাক্তন

(c) বিভৱ

(d) ৰসনা

(v) বতাহ =

(a) অনিল

(b) জগদীশ

(c) কমল

(d) শূন্য

**12.** তলত দিয়া শব্দ দুটাত কি কি তদ্ধিত প্ৰত্যয় যোগ হৈছে শুদ্ধ উত্তৰটো বাছি লিখা – *2×1=2*

(i) সাৰুৱা –

(a) অৰুৱা

(b) উৱা

(c) আ

(d) ওৱা

(ii) মৰমিয়াল =

(a) আল

(b) য়াল

(c) ইয়াল

(d) ঈয়াল

**13.** তলত দিয়া শব্দকেইটাৰ শুদ্ধ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – (যিকোনো ***দুটাৰ***) *2×1=2*

(i) গোপন =

(a) দোষ

(b) প্ৰকাশ

(c) কৃষ্ণ

(d) প্ৰজা

(ii) উৰ্দ্ধ =

(a) অধঃ

(b) নিম্ন

(c) চোকা

(d) ঠেক

(iii) বিনীত =

(a) গৰ্ব

(b) উদ্ধত

(c) নবীন

(d) শত্ৰু

**14.** শুদ্ধ উত্তৰ লিখা – *2×1=2*

(i) অসমীয়া স্ত্ৰী প্ৰত্যয় দুটা হ'ল –

(a) অনি আৰু অনা

(b) ঈ আৰু অনী

(c) ইনি আৰু ইনী

(d) অৰু আৰুঅৰি

(ii) লিংগ পৰিৱৰ্তন কৰা –

বোন্দা =

(a) কোৰা

(b) আই

(c) বেটি

(d) জাঁই

## SECTION D (20 marks)

## (গদ্য ভাগ)

**15.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4*

(i) তাৎপৰ্য বুজাই লিখা : কমাৰশালত গঢ়িবলৈ হ'লে আগতে জুইশালত গঢ়ি চাব লাগিব ।

(ii) কামত ল'ৰা – ছোৱালী বুলি ভাগ নাই । যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা । – এই কথাষাৰৰ বক্তা কোন ? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল বুজাই লিখা ।

**16.** চমু উত্তৰ লিখা : (যিকোনো ***এটাৰ***) *2*

(i) আজি গাওঁ অজ্ঞানতা আৰু কুসংস্কাৰৰ লীলাভুমি – 'ছাত্ৰ-জীৱন আৰু সমাজসেৱা' পাঠৰ সহায়ত বুজাই লিখা ।

(ii) মেৰী কাৰ্জন কোন আছিল ?

**17.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) ছাত্ৰসকল ________ ভৱিষ্যত, আশা-ভৰসাৰ কলি ।

(a) দেশৰ

(b) ৰাজ্যৰ

(c) পৃথিৱীৰ

(d) জগতৰ

(ii) ________ সাত পুৰুষ মৰিল কেঁচা মাছ খায় ।

(a) মানুহৰ

(b) আমাৰ

(c) উদৰ

(d) গৰুৰ

(iii) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কিহৰ বাবে বিখ্যাত ?

(a) সিংহৰ

(b) হৰিণাৰ

(c) বাঘৰ

(d) এশিঙীয়া গঁড়ৰ

(iv) বাপীৰাম হাজৰিকা কি নামেৰে জনাজাত আছিল ?

(a) নিগনা চিকাৰী

(b) আঘোনা

(c) মহীচন্দ্ৰ মিৰি

(d) চন্তৰী

## (পদ্য ভাগ)

**18.** উত্তৰ লিখা – (যিকোনো ***এটা***) *4*

(i) তোমাৰ পাঠত থকা ‘বৰগীত’ টোৰ মাজেৰে কবিয়ে কি ভাব প্ৰকাশ কৰিছে ?

(ii) সজাৰ মইনাটিৰ অনেক যুগুতি ।

দেও মাৰি পাৰ হ’লে এৰিলে পীৰিতি ।

– উল্লিখিত জিকিৰ ফাঁকিৰ অন্তৰ্নিহিত ভাব বুজাই লিখা ।

**19.** উত্তৰ লিখা – (যিকোনো ***এটাৰ***) *2*

(i) মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে তেখেতৰ ৰচনাৰাজিত কিয় ঘৰুৱা ভাৱ-ভাষা ব্যৱহাৰ কৰিছিল ?

(ii) ‘জিকিৰ আৰু জাৰী’ গীতসমূহৰ লগত অসমৰ কোনবোৰ গীতৰ সুৰৰ সাদৃশ্য আছে ?

**20.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) কোনখন শ্ৰীশ্ৰী মাধৱদেৱৰ নাট ?

(a) জন্মৰহস্য

(b) চোৰধৰা

(c) দধিমথন

(d) আদিকাণ্ড ৰামায়ণ

(ii) বৰ্তমান সময়ত শ্ৰীশ্ৰী শংকৰদেৱৰ দ্বাৰা ৰচিত কিমান বৰগীত পোৱা গৈছে ?

(a) দুকুৰি এটা

(b) তিনিকুৰি দুটা

(c) তিনিকুৰি চাৰিটা

(d) একুৰি চৈধ্যটা

(iii) 'কুটুব' শব্দৰ অৰ্থ –

(a) সম্পৰ্কীয়

(b) ধ্ৰুৱ নক্ষত্ৰ

(c) চিপাহী

(d) চৰাই

(iv) আজান ফকিৰ অসমলৈ কেতিয়া আহিছিল ?

(a) খ্ৰীষ্টিয় অষ্টম শতিকাত

(b) খ্ৰীষ্টীয় সপ্তদশ শতিকাত

(c) খ্ৰীষ্টীয় দশম শতিকাত

(d) খ্ৰীষ্টীয় পঞ্চম শতিকাত